অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ শুকুৰবাৰ, ৬ ডিচেম্বৰ, ২০১৯/১৯ আঘোণ, ১৯৪১ শক

### শ শ বিঘা বনভূমিত অবৈধ খনন ঃ নিৰ্বিকাৰ বন বিভাগ

# নামেৰী ৰাষ্ট্ৰীয় উদ্যানত বন বিষয়াৰ ছত্ৰছায়াত ব'ল্ডাৰৰ ব্যৱসায়

■ ভালুকপুঙৰ পৰা দিব্যজ্যোতি নাথ, ৫ ডিচেম্বৰ ঃ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বিজেপি চৰকাৰৰ শাসন কালত বন বিভাগৰ একাংশ দুৰ্নীতিগ্ৰস্ত বন বিষয়া আৰু কৰ্মচাৰীৰ পৃষ্ঠপোষকতাতে নামেৰী ৰাষ্ট্ৰীয় উদ্যানত চোৰাং বল্ডাৰ ব্যৱসায়ীয়ে মুকলিভাৱে চলাইছে বন ধ্বংস অভিযান। অসম চৰকাৰৰ বন মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ ঘনিষ্ঠ বন বিষয়াৰ নেতৃত্বতে দীৰ্ঘদিন ধৰি নামেৰী ৰাষ্ট্ৰীয় উদ্যানত অবাধে চলি অহা বনাঞ্চল ■ ৮ পৃষ্ঠাত



# নামেৰী ৰাষ্ট্ৰীয় উদ্যানত বন বিষয়াৰ ছত্ৰছায়াত ব'ল্ডাৰৰ ব্যৱসায়

■ *তৃতীয় পৃষ্ঠাৰ পৰা* ধ্বংসৰ বিৰুদ্ধে শোণিতপুৰ জিলা প্ৰশাসনৰ লগতে চাৰিদুৱাৰৰ ৰাজহ চক্ৰ বিষয়াৰো কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। শোণিতপুৰ জিলাৰ চাৰিদুৱাৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ দুৰ্নীতিপৰায়ণ বন বিষয়া আৰু কৰ্মচাৰীৰ ছত্ৰছায়াত নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত বন ধ্বংস অভিযান চলাই নিশাৰ ভাগত শতাধিক ট্ৰাক ডাম্পাৰেৰে সৰবৰাহ কৰি আহিছে লাখ লাখ টকাৰ চোৰাং বল্ডাৰ। জীৱ বৈচিত্ৰ্যৰ ভঁৰালস্বৰূপ নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ অস্তিত্বৰ প্ৰতি প্ৰবল ভাবুকিৰ সৃষ্টি কৰি চোৰাং বল্ডাৰ ব্যৱসায়ীয়ে জে চি বি আৰু ফকলেণ্ড ব্যৱহাৰ কৰি এফালৰ পৰা খান্দি পেলাইছে বনভূমি। অভিযোগ অনুসৰি উদ্যানখনৰ এলেকাৰ নিগম, ১৬ মাইল আৰু বাৰ মাইল, ন মাইলকে ধৰি বিভিন্ন এলেকাত দিনে-নিশাই অবৈধভাৱে বল্ডাৰ খনন কাৰ্য চলাই আহিছে। চোৰাং বল্ডাৰ ব্যৱসায়ীয়ে ২০ ৰ পৰা ৫০-৬০ ফুট গভীৰতালৈকে খনন কাৰ্য চলাই নিশাৰ ভাগত শতাধিক ট্ৰাক-ডাম্পাৰেৰে চোৰাংভাৱে বল্ডাৰ সৰবৰাহ হোৱাৰ পাচতো বন বিভাগে ৰহস্যজনকভাৱে নীৰৱতা অৱলম্বন কৰিছে। ইমানেই নহয় অসম- অৰুণাচলৰ সীমান্তবৰ্তী এলেকাসমূহৰ পৰা নিশা চাৰিদুৱাৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ সন্মুখেদিয়েই শোণিতপুৰ জিলাৰ লগতে নগাঁও আৰু কলিয়াবৰলৈও চোৰাং বল্ডাৰ সৰবৰাহ হয়। আশ্চৰ্যজনক বিষয় এই যে নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ লগতে বালিপৰা আৰু চাৰিদুৱাৰ বনাঞ্চলৰ এলেকাত বন বিভাগৰ অনুমোদিত এটাও শিল, বালি আৰু বল্ডাৰ মহল নথকাৰ পাচতো দুৰ্নীতিগ্ৰস্ত একাংশ বন বিষয়াৰ ছত্ৰছায়াতে এনেদৰে অবৈধভাৱে খনন কাৰ্য চলিব পাৰিছে। নামেৰীৰ ভিতৰত নিগম, ১৬ মাইল, ১২ মাইল আৰু ৯ মাইলৰ এলেকাত চোৰাং বল্ডাৰ ব্যৱসায়ীয়ে ২০ৰ পৰা ৫০-৬০ ফুট গভীৰতালৈকে বল্ডাৰৰ খনন কাৰ্য চলোৱাৰ ফলত শ শ বিঘা বনভূমিত বিশাল পুখুৰীসদৃশ গাঁতৰ সৃষ্টি হৈছে। পুখুৰীবোৰত জেচিবি আৰু ফকলেণ্ডেৰে খনন কাৰ্য চলাই ব্যৱসায়ীয়ে হেজাৰ হেজাৰ ট্ৰাক বল্ডাৰ জমা কৰি ৰাখিছে। পাহাৰৰ তলতে চলোৱা এই খনন কাৰ্যই জীৱকুললৈ ভয়াবহ ভাবুকি নমাই আনিছে। অভিযোগ অনুসৰি এই অবৈধ খনন কাৰ্যৰ ফলত অঞ্চলটোত অগণন গুই সাপ আৰু নেউলকে ধৰি বিভিন্ন সৰীসৃপে বাসস্থান হেৰুৱাৰ লগতে গছ ধ্বংসৰ ফলত ধনেশকে ধৰি বহু বিৰল প্ৰজাতিৰ চৰাইৰ প্ৰতিও ভাবুকি নামি আহিছে। দীৰ্ঘদিন ধৰি নামেৰীৰ ভিতৰত চলি থকা এই বল্ডাৰ খননৰ ফলত বন বিভাগে দিনৌ বহু লাখ টকাৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে। বৃহৎ আকাৰৰ লোৰ চালনী বহুৱাই চোৰাং বল্ডাৰ ব্যৱসায়ীয়ে বল্ডাৰৰ সমানে সমানে চোৰাং বালিৰো সৰবৰাহ কৰি আহিছে। এই অবৈধ খনন কাৰ্যৰ ফলত অঞ্চলটোত এফালৰ পৰা ধ্বংস হৈছে সেউজ পাহাৰসদৃশ বহু টিলা। বন বিভাগে এই অবৈধ খনন কাৰ্য দেখিও ৰহস্যজনকভাৱে নেদেখাৰ ভাও ধৰি মুনাফা লুটি আহিছে। বন বিভাগৰ দায়িত্ব গ্ৰহণ কৰাৰ দিন ধৰি বন মন্ত্ৰী পৰিমল শুক্লবৈদ্য আজিকোপতি নামেৰীত চলি থকা বন ধ্বংসৰ বুজ ল'বলৈ উপস্থিত হোৱা নাই। নামেৰীক চোৰাং ব্যৱসায়ীয়ে এফালৰ পৰা টকলা কৰাৰ পাচতো বন মন্ত্ৰীগৰাকীয়ে কোনো গুৰুত্ব নিদিয়াত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাইজে অতি শীঘ্ৰে দোষী বন বিষয়া আৰু কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

Guwahati, Friday, December 6, 2019
দৈনিক জনমভূমি

# বন মন্ত্ৰীৰ নিৰ্দেশক অংগুষ্ঠ ভূ-মাফিয়াৰ
# মিৰ্জাত মাফিয়াৰাজেৰে সংৰক্ষিত বনাঞ্চলত অবৈধ খনন

মিৰ্জা ঃ নিজা বাতৰি দিওঁতা, ৫ ডিচেম্বৰ ঃ ৰাজ্যৰ বন মন্ত্ৰীৰ সেউজীয়া সংৰক্ষিত বনাঞ্চল সুৰক্ষাৰ জয়গানৰ বিপৰীতে বিভাগটোৰ একাংশ বন বিষয়াৰ ছত্ৰছায়াত চলিছে বনাঞ্চলৰ ধ্বংস যজ্ঞ। পূব কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত মিৰ্জাস্থিত পলাশবাৰী



বনাঞ্চলিক কাৰ্যালয় এলেকাৰ মালিয়াটা ৰিজাৰ্ভ ফৰেষ্টত একাংশ ব্যক্তিয়ে এফালৰ পৰা পাহাৰত খনন কাৰ্য চলাই মৰুভূমিসদৃশ পৰিৱেশৰ সৃষ্টি কৰিছে। সোণতলা খণ্ড বন বিষয়া কাৰ্যালয়ৰ সমীপৱৰ্তী বাঘেশ্বৰী মন্দিৰৰ গাতে লাগি থকা মালিয়াটাপাৰাত যোৱা কিছুদিনৰ পৰা দিনে-নিশাই ৰেঞ্জাৰ মনোজ দাস আৰু ফৰেষ্ট গাৰ্ড গিয়াছুদ্দিন আহমেদৰ নেতৃত্বত একাংশ ভূ মাফিয়াৰে লক্ষাধিক টকাৰ লেনদেনেৰে চাৰিখন-পাঁচখন জে চি বি আৰু প্ৰায় ২০-২৫খন ডাম্পাৰেৰে চলাইছে অবৈধ খনন কাৰ্য। যাৰ ফলত মৰুভূমি হোৱাৰ দিশে অগ্ৰসৰ হৈছে ঐতিহ্যমণ্ডিত মালিয়াটা পাহাৰ। স্থানীয় সচেতন লোকে ৰেঞ্জাৰ মনোজ দাসৰ এই দুষ্কাৰ্যৰ বিৰুদ্ধে উৰ্ধ্বতন কৰ্তৃপক্ষক অভিযো দি আহিছে যদিও বৰ্তমানেও অব্যাহত আ পাহাৰখনত বে-আইনীভাৱে চলা খনন কা ৰহস্যজনকভাৱে দাসৰ বিৰুদ্ধে উৰ্ধ্বত মহলে আজিকোপতি কোনো ব্যৱস্থা গ্ৰহ কৰা নাই। অভিযোগ অনুসৰি বন বিষয়াজ একমাত্ৰ প্ৰভাৱশালী ক্ষমতাৰে বন মন্ত্ৰী কঠোৰ নিৰ্দেশকো অংগুষ্ঠ দেখুৱাই দীৰ্ঘ ধৰি পলাশবাৰী ৰেঞ্জৰ সংৰক্ষিত বনাঞ্চল যতে-ততে এনেদৰে চলাই আহিছে খ কাৰ্য। অভিযোগ মতে, কেইজনমান তথাকথি মাফিয়াই উক্ত স্থানৰ পৰা মাটি খনন কৰি স্থান এলেকাত বৃহৎ দৰত বিক্ৰী কৰি আহিছে। খনন কাৰ্যই প্ৰকৃতিপ্ৰেমীসকলৰ মাজত ব্যা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# বৰভাগৰ সোণকুৰিহাত চলি আছে অবৈধ বালি মহল

## আৰক্ষী-বন বিভাগে জব্দ কৰিলে ডাম্পাৰ

নিজা বাতৰি দিওঁতা

বাঁহজানী, ৬ ডিচেম্বৰ ঃ নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে বালি মাফিয়াৰ তাণ্ডৱ। অবৈধভাৱে চলি থকা বালি মহলত একাংশ দুষ্ট চক্ৰই নিতৌ শ শ ট্ৰেক্টৰ, ডাম্পাৰ আদিৰে বালি কঢ়িয়াই চলাই গৈছে অবৈধ বেহা। ইয়াৰ ফলস্বৰূপে এই দুষ্ট চক্ৰটোৱে চৰকাৰক কৰ ফাঁকি দি অহাৰ লগতে সাধাৰণ ৰাইজক বিভিন্ন ধৰণে হাৰাশাস্তি খুৱাই আহিছে। অবৈধভাৱে চলি থকা বালিৰ মহলসমূহৰপৰা নিতৌ শ শ ট্ৰেক্টৰ, ডাম্পাৰ আদি উন্মুক্তভাৱে চলাচল হৈ থকাৰ ফলত ৰাস্তা-ঘাটত ধূলিৰ সৃষ্টি হোৱাৰ লগতে ৰাইজে পথত খোজ কঢ়াটো দূৰৰ কথা, পথৰ সমীপৱৰ্তী বাসিন্দাসকলৰ শিশু-বৃদ্ধ ধূলিৰ বাবে বিভিন্ন ৰোগত আক্ৰান্ত হৈ পৰিছে। যাৰ বাবে ৰাইজে চৰকাৰ তথা প্ৰশাসনক এই বালি মাফিয়া আৰু অবৈধভাৱে চলি থকা বালি মহলবিলাকৰ ওপৰত অতি সোনকালে ব্যৱস্থা ল'বলৈ অনুৰোধ জনাইছিল। ৰাইজৰ অনুৰোধ মৰ্মে চৰকাৰ তথা নলবাৰী জিলা প্ৰশাসনে নলবাৰীত বালি মাফিয়াৰ দপ্‌দপনি বাৰুকৈয়ে বাঢ়ি থকাৰ সময়তে জোৰদাৰ অভিযান চলাই সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। বিগত মাহত নলবাৰী আৰক্ষীৰ লগতে নলবাৰী বন বিভাগে অবৈধভাৱে চলি থকা বালিৰ মহলত হঠাতে অভিযান চলাই বহুকেইখন ট্ৰেক্টৰ, ডাম্পাৰ আদি জব্দ কৰি বালি মাফিয়াসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰে। ৩ ডিচেম্বৰত নলবাৰী জিলাৰ বৰভাগ অঞ্চলৰ পাগলাদিয়া নদীৰ সোণকুৰিহা ঘাটত বৰভাগ ৰাজহ চক্ৰ বিষয়া চন্দনা বৰুৱা, কমাৰকুছি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজশ্ৰী বুঢ়াগোহাঁই আৰু বন বিভাগৰ তৎপৰতাত অবৈধভাৱে চলি থকা বালি মহলটোত অভিযান চলায়। অভিযানকালত অবৈধভাৱে বালি কঢ়িয়াই থকা ডাম্পাৰ গাড়ী এখনো আৰক্ষীয়ে জব্দ কৰি নলবাৰী বন বিষয়াৰ কাৰ্যালয়ত গতাই দিয়ে।

### ফিল'বাৰী আৰক্ষীয়ে জব্দ কৰা অবৈধ কাঠ চমজি ল'বলৈও নাই বন বিষয়া


# বন বিভাগৰ কাৰ্যালয়ত ওলমি থকা তলাক লৈ ৰহস্য

**ফিল'বাৰী ঃ** এজন সংবাদদাতা, ৪ ডিচেম্বৰ ঃ মঙলবাৰে সন্ধিয়া তিনিচুকীয়া জিলাৰ ফিল'বাৰী থানাৰ আৰক্ষীয়ে অভিযান চলাই এখন মালবাহী ট্ৰাকৰ সৈতে বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ কৰিবলৈ সক্ষম হৈছিল। অৰুণাচল প্ৰদেশৰ লাথাওৰ পৰা ৰূপাই অভিমুখে গৈ থকাৰ সময়তে ফিল'বাৰী আৰক্ষীয়ে লক্ষাধিক টকা মূল্যৰ অবৈধ কাঠসহ এ এছ ০৬ এফ ৮৮৬৪ নম্বৰৰ এখন বাহন জব্দ কৰিছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে ফিল'বাৰী খণ্ড বন বিষয়াৰ কাৰ্যালয়ত দিনৰ ১২ বজাতেই লাগি আছে তলা। কালি জব্দ হোৱা কাঠখিনি বন বিভাগে কেতিয়াকৈ নিজ হাতলৈ হস্তান্তৰ কৰিব বুলি সাংবাদিকে সুধিব যাওঁতেই ওলাল উৰহী গছৰ ওৰ। বন বিভাগৰ কাৰ্যালয়ৰ এখন খিৰিকী খুলি দুৱাৰত ওলোমাই ৰাখিছে তলা। বৃহত্তৰ ফিল'বাৰী অঞ্চলত প্ৰতিদিনে চোৰাং কাঠ, অবৈধ খনন চলি থকা অৱস্থাতো ফিল'বাৰী খণ্ড বন সংমণ্ডলৰ নিৰ্লিপ্ত ভূমিকা ৰহস্যজনক বুলি মিশ্ৰিত প্ৰক্ৰিয়াৰ সৃষ্টি হৈছে। বন বিষয়াৰ কাৰ্যালয়ৰ সমুখেদি নিতৌ চোৰাং কাঠ, বালি, মাটিভৰ্তি বাহন পাৰ হৈ যোৱা কাৰ্যত বন বিভাগৰ মিতিৰালি আখ্যা দিছে স্থানীয় ৰাইজ তথা দল-সংগঠনে। বিভাগটোৰ স্থানীয় কাৰ্যালয়ৰ কদৰ্য ৰূপ আৰু নিজ খেয়াল-খুচি মতে খোলা বিভাগীয় কৰ্মচাৰীৰ ওপৰত কিবা ব্যৱস্থা ল'ব নে উৰ্ধ্বতন কৰ্তৃপক্ষই, সেয়া লক্ষণীয় হ'ব।

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ শুকুৰবাৰ, ৬ ডিচেম্বৰ, ২০১৯/১৯ আঘোণ, ১৯৪

# পানীখাইতীত কৃষিভূমি খনন ঃ ৰাইজৰ অভিযোগৰ পিচতো নীৰৱ বন বিভাগ-আৰক্ষী

**প্ৰতিদিন মহানগৰ সেৱা, চন্দ্ৰপুৰ, ৫ ডিচেম্বৰ ঃ** মহানগৰীৰ পাৰ্শ্ববৰ্তী পানীখাইতীত কৃষিভূমিক কেন্দ্ৰ কৰি গঢ়ি উঠিছে ৰমৰমীয়া ব্যৱসায়। পূব কামৰূপ বন সংমণ্ডলৰ গুৱাহাটী বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত নাৰেংগী খণ্ড বন বিষয়াৰ এলেকাৰ আমগাঁৱৰ খেৰবাৰীত প্ৰায় এমাহ ধৰি এটা দুষ্ট চক্ৰই আৰক্ষী আৰু বন বিভাগক মেনেজ কৰি অবাধ গতিত কৃষিভূমিত খনন চলাই আহিছে। প্ৰাপ্ত তথ্যমতে পানীখাইতী গাঁও পঞ্চায়তৰ অন্তৰ্গত খেৰবাৰী অঞ্চলত প্ৰায় পাঁচশ বিঘা খেতি পথাৰত মাটি খান্দি এমাহ ধৰি দিনে ২৫/৩০ খন আৰ্থ মুভাৰ আৰু ডি আই পিকআপ ভানেৰে দৈনিক



সেই মাটি সৰবৰাহ কৰি আছে। এই খননকাৰ্য চলোৱাৰ ফলত সেই মাটিৰ উৰ্বৰা শক্তি হ্ৰাস পাইছে। সেয়ে স্থানীয় একাংশ লোকে কৃষিভূমিত চলি থকা খনন বন্ধ কৰাৰ বাবে পানীখাইতী আৰক্ষী আৰু নাৰেংগী খণ্ড বন বিষয়াৰ কাৰ্যালয়ত আবেদন জনোৱাৰ লগতে কৃষি বিভাগক মৌখিকভাৱে অৱগত কৰিছে। কিন্তু বৰ্তমানলৈকে কোনো পক্ষই ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। ইফালে অবৈধভাৱে কৃষিভূমিত খনন চলোৱাৰ বাতৰি সংগ্ৰহ কৰিবলৈ গ'লেও মাফিয়া চক্ৰটোৱে সাংবাদিকক প্ৰাণে মৰাৰ চেষ্টা কৰে। আনহাতে এই সন্দৰ্ভত নাৰেংগী খণ্ড বন বিষয়া আব্দুল ৰছিদে জনোৱামতে এটা দুষ্ট চক্ৰই এই অঞ্চলত অনুমতিবিহীনভাৱে খননকাৰ্য চলাই আছে যদিও বন বিভাগে অভিযান চলাবলৈ যোৱাৰ উমান পালে সকলোৱেৰ গাড়ীয়ে পলাই পত্ৰং দিয়ে। তদুপৰি ৰে'ল পথ অতিক্ৰম কৰি উক্ত স্থানলৈ যাব লগা হোৱাৰ বাবে অবৈধভাৱে মাটি কটিওৱা বাহনবোৰ জব্দ কৰাত অসুবিধা হোৱা বুলি টুলুঙা মন্তব্য কৰে। স্থানীয় লোকৰ অভিযোগমতে দুষ্ট চক্ৰটোৱে পানীখাইতী আৰক্ষী আৰু নাৰেংগী খণ্ড বন বিষয়াক মেনেজ কৰি দিন দুপৰতে খননকাৰ্য চলাই আহিছে। সেয়ে সকলো দেখিও সংশ্লিষ্ট বিভাগে চকু মুদা কুলিৰ ভাও জুৰি আছে।